
পাঠ ৪

Q5S7R9

# লঘোন

একোকে নেখাওঁ আজি
একেবাৰে ভোক নাই
আছে যদি আধা সেৰ
চিৰা দিবা ভাল চাই।
দৈ মোক নেলাগেই
গাখীৰৰ সৰ পালে,
খেজুৰিৰ গুৰ নেকি?
লৈ আহ এইফালে।
নাই যদি মালভোগ
জাহাজী কলকে আন;
আৰু একো নেলাগেই
এয়ে হ'ব জলপান।



আজি যদি অহা নাই
ভীম চিং পালোৱান,
তাৰ বাবে ভাজি থোৱা
দুটা মান আলু আন।
পাপৰ আছিল বোলে?
আঙঠাত সেক চোন।
আচাৰো ওলাব পাৰে
বিচাৰিলে চুক কোণ।
ৰৌ মাছ ভজা আছে?
তাৰো দুচকল দে,
এয়ে হ'ব লঘোনত
আৰু একো নেলাগে।

(উৎস : মৰবা ফুল, পৃষ্ঠা—২৫৮-২৫৯, প্ৰকাশক—অসম প্ৰকাশন পৰিষদ, গুৱাহাটী)

কবি- নৰকান্ত বৰুৱা

**ক্ৰিয়া-কলাপ**

## ক — পাঠভিত্তিক ক্ৰিয়া

**পদ্যটি শুদ্ধ আৰু স্পষ্টকৈ আবৃত্তি কৰা।**

**উত্তৰ দিয়া।**

(ক) 'লঘোন' পদ্যটো ৰচনা কৰা কবিজনৰ নাম কি?

(খ) 'লঘোন' শব্দৰ অৰ্থ কি?

(গ) পালোৱান বুলিলে কেনেকুৱা মানুহ এজনৰ ছবি তোমাৰ মনলৈ আহে?

**'লঘোন' পদ্যটিৰ ভিত্তিত ক-অংশৰ কথাখিনিৰ লগত খ-অংশৰ কথাখিনি মিলাই লিখা।**

| ক-অংশ | খ-অংশ |
|---|---|
| ১। আছে যদি আধা সেৰ | জাহাজী কলকে আন |
| ২। দৈ মোক নেলাগেই | তাৰো দুচকল দে |
| ৩। নাই যদি মালভোগ | চিৰা দিবা ভাল চাই |
| ৪। পাপৰ আছিল বোলে | গাখীৰৰ সৰ পালে |
| ৫। ৰৌ মাছ ভজা আছে | আঙঠাত সেকচোন |

**'লঘোন' শব্দটোৰ অৰ্থ 'লঘোন' পদ্যটোৰ কথাখিনিৰ লগত মিলিছেনে? যদি মিলা নাই, কিয় মিলা নাই লিখা।**

**তলত উল্লেখ কৰা বস্তুকেইবিধৰ বিষয়ে দলত আলোচনা কৰি চমু টোকা লিখা।**

(ক) মালভোগ কল (খ) গাখীৰৰ সৰ (গ) আচাৰ (ঘ) পাপৰ

☞ *'লঘোন'ৰ অৰ্থ ছাত্ৰ-ছাত্ৰীক ভালদৰে বুজাই দিব।*

☞ *নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

## খ —ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)

**উদাহৰণত দেখুওৱাৰ দৰে তলৰ ক্ৰিয়াবোৰৰ নঞৰ্থক ৰূপ লিখা।**

উদাহৰণ—

ন + চায় = নাচায় বা নেচায় ন + পালে = ______ বা ______

ন + কাটে = ______ বা ______ ন + খালে = ______ বা ______

**জানো আহা**

> **'লঘোন' নামৰ পদ্যটিত আহ, আন, অহা আদি স্বৰবৰ্ণেৰে আৰম্ভ হোৱা ক্ৰিয়া পদ আছে। এনে ধৰণৰ স্বৰবৰ্ণেৰে আৰম্ভ হোৱা ক্ৰিয়াত নঞৰ্থক ন যোগ দিলে ন-ৰ 'অ' স্বৰটো লোপ পায়।** যেনে— ন(অ) + আহ = নাহ (অ), ন(অ) + আন = নান (অ)। ইয়াত 'ন' -ৰ 'অ' স্বৰটো লোপ পাইছে।

**তলত দিয়া স্বৰবৰ্ণেৰে আৰম্ভ হোৱা ক্ৰিয়াবোৰৰ নঞৰ্থক ৰূপ লিখোঁ আহা**

ন + এৰে = ______ ন + অহা = ______ ন + উঠে = ______

ন + আছিল = ______ ন + আহিবা = ______ ন + ওলায় = ______

**এটা শব্দত প্ৰকাশ কৰা।**

(ক) ভোকত আতুৰ হোৱা লোক — ______

(খ) নিয়মমতে খৰচ কৰা লোক — ______

(গ) বেছিকৈ ভাত খোৱা মানুহ — ______

(ঘ) ৰন্ধা-বঢ়া কৰা তিৰোতা — ______



*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

কোৱা আৰু লিখা।



কি কি কল তুমি খোৱা আৰু কিয় খোৱা?

---

---

---

কলগছ আমাৰ কি কি কামত লাগে?

---

---

---

তোমাৰ কি কি ফল খাই ভাল লাগে?

---

---

---



তলৰ শব্দবোৰেৰে অৰ্থৰ পাৰ্থক্য প্ৰকাশ পোৱাকৈ বাক্য ৰচনা কৰা।

উদাহৰণ—

সৰ্— (ওপৰৰ পৰা পৰ্; খহ্)-গছৰ পকা ফলবোৰ সৰি তলত পৰিছে।

সৰ— (গাখীৰৰ ওপৰত পৰা চামনি)-পগোৱা গাখীৰৰ ওপৰত ডাঠকৈ সৰ পৰিছে।

*নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

কল— (সুখাদ্য ফল বিশেষ) ......................................................................

কল— (যন্ত্র) ......................................................................

চিৰা— (ফুট কঢ়া ধান ভাজি চেপেটাকৈ খুন্দি উলিওৱা চাউল) ......................................................................

চিৰা— (ছেঁই, মাহজাতীয় উদ্ভিদৰ বীজযুক্ত দীঘলীয়া বীজাৱৰণ) ......................................................................

দৈ— (দৈ গাখীৰ) ......................................................................

দৈ— (বাঁহৰ চেপেটা আৰু মিহি কাঠি) ......................................................................

আলু— (এবিধ পাচলি) ......................................................................

আলু— (দাঁতৰ গুৰি) ......................................................................

কোণ— (চুক) ......................................................................

কোন— (প্ৰশ্নবোধক শব্দ) ......................................................................



পদ্যটোত আলু ভাজে, মাছ ভাজে বুলি পঢ়িছা। তেনেদৰে আৰু কি কি ভাজে, ৰান্ধে, পগায় আৰু পোৰে দলত আলোচনা কৰি তাৰ এখন তালিকা কৰা।

## গ — জ্ঞান সম্প্ৰসাৰণ



আলু ভজা খাবলৈ মজা। আলু ভাজি খোৱাৰ উপৰি আৰু কি কি ধৰণে খাই পাইছা?



মালভোগ কল আৰু জাহাজী কলৰ বাহিৰে আৰু কি কি কলৰ নাম জানা লিখা।




'পঁইতা ভাতে পোৰা মাছে' বুলি ক'লে জিভাৰ পানী পৰে। পোৰা মাছৰ বাহিৰে আৰু কি কি আঙঠাত পুৰি বা সেকি খাব পাৰি?



অসমীয়া মানুহে চিৰা, সান্দহ, মুড়ি, আখৈ, কোমল চাউল, বৰা চাউলৰ জলপান খায়। চাহৰ লগত নানাবিধ পিঠা-পনা খায়। এতিয়া বজাৰত জিভাত জুতি লগা নানাবিধ খোৱা বস্তু ওলাইছে। তুমি পিছে জলপান হিচাপে কি কি খোৱা?



তলত দুবিধ খাদ্যবস্তুৰ ছবি আছে আৰু তাৰ চাৰিওফালে কেইবিধমান প্ৰাণীৰ নাম দিয়া হৈছে। সেইবোৰৰ ভিতৰত কোনে কোনবিধ খায় দলত আলোচনা কৰি ‘মাছ খোৱা’, ‘কল খোৱা’ ‘দুয়োবিধ খোৱা’ আৰু ‘এবিধো নোখোৱা’ প্ৰাণীৰ নামৰ তালিকা কৰা।

| | | | |
|---|---|---|---|
| হাতী | মানুহ | বাঘ | মাছৰোকা |
| উদ |  | | বাদুলী |
| বান্দৰ | | | বগলী |
| মেকুৰী |  | | পাৰ |
| শালিকা | শিয়াল | হাঁহ | বৰটোকোলা |

☞ পুৰা, গধূলি জলপান হিচাপে ঘৰত প্ৰস্তুত কৰা খাদ্য খাবলৈ আগ্ৰহান্বিত কৰিব আৰু তাৰ উপকাৰিতাৰ বিষয়ে ক'ব।

☞ নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী



## জানো আহা

**ডাকৰ বচন**

ডাকৰ বচনবোৰ লোক সংস্কৃতিৰ ভিতৰুৱা। ডাক নামৰ পুৰুষ এজনে এই বচনবোৰ ৰচনা কৰিছিল। এই বচনবোৰ যুগ যুগ ধৰি মানুহৰ মুখে মুখে প্ৰচলিত হৈ আহিছে। ডাকৰ বচনবোৰ মানুহৰ সামাজিক আৰু ব্যাৱহাৰিক জীৱনত পালন কৰিব পৰা কিছুমান পৰামৰ্শ মূলক উক্তি, য'ত ৰাজনীতি, সমাজনীতি, ধৰ্মনীতি, অৰ্থনীতি, কৃষিনীতি, ৰন্ধন প্ৰক্ৰিয়া, যাত্ৰাৰ ফল, ৰোগৰ বিৱৰণ আদিৰ উল্লেখ আছে।

**উদাহৰণ**— তিনিশ ষাঠি জোপা ৰুবা কল
মাহেকে-পষেকে চিকুণাবা তল।
পাত পচলা লাভত পাবা,
লঙ্কাৰ বণিজ ঘৰতে পাবা।

তিনিশ ষাঠি জোপা কলগছ ৰুই তাৰ তলখন মাহেকে-পষেকে চিকুণাব লাগে, যাতে বন জাবৰ গজি উঠি কলগছৰ তলখন অনুৰ্বৰ কৰিব নোৱাৰে। কলখেতিয়কে সেই কলগছৰ পাত বিভিন্ন কামত ব্যৱহাৰ কৰিব পাৰে। কলৰ পুলি পচলা হিচাপে খাব পাৰে। তদুপৰি তিনিশ ষাঠি জোপা কলগছৰ কল বেচি তেওঁ ঘৰতে বহি ধন ঘটিব পাৰে। ধন বিচাৰি তেওঁ লঙ্কালৈ বা দূৰলৈ যাব নালাগে।



**বহলাই লিখা।**

অল্প অৰ্জন, বিস্তৰ ভোজন,
সেই পুৰুষৰ দৰিদ্ৰৰ লক্ষণ।।



### ঘ— প্ৰকল্প

- **তোমাৰ পৰিয়ালৰ বা আন জ্যেষ্ঠজনক সুধি তিনিটা ডাকৰ বচন সংগ্ৰহ কৰা আৰু সেই তিনিটাৰ ভাব বহলাই লিখা।**

☞ *বহলাই লিখা কাৰ্যটোত ছাত্ৰ-ছাত্ৰীক সহায় কৰিব।*

● **তলৰ সাঁথৰটো ভাঙা আৰু তেনেধৰণৰ সাঁথৰ সংগ্ৰহ কৰি লিখা।**

পাখি আছে মোৰ
　　নোৱাৰোঁ উৰিব,
আখি আছে মোৰ
　　নোৱাৰোঁ মুদিব।
ভৰি নহ'লেও
　　ফুৰিছোঁ ঘূৰি,
জীৱন কটাওঁ
　　পানীত সাঁতুৰি।



যদি তুমি মোক চিনি পোৱা
তেনেহ'লে মোৰ নামটো কোৱা।

● **ছবি আঁকো আহা**

